# ফাইনাৰৰ খাদ্য সংশোধনীকৰণ বিষয়ক আলোচনাচক্ৰ




**প্ৰতিদিন বাণিজ্য সংবাদ ঃ** অসমৰ খাদ্য সংশোধনীকৰণৰ ক্ষেত্ৰখনৰ সম্ভাৱনা আৰু ইয়াত হ'ব পৰা নিযুক্তিৰ সুবিধা সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ বাণিজ্যিক সংস্থা ফাইনাৰে যোৱা মঙলবাৰে গুৱাহাটীত এখন আলোচনাচক্ৰৰ আয়োজন কৰে। মহানগৰীৰ হোটেল গে'টৱে গ্ৰেণ্ডিউৰত আয়োজন কৰা আলোচনাচক্ৰত অসমত প্ৰচুৰ সম্ভাৱনা থকা খাদ্য সংশোধনীকৰণৰ ক্ষেত্ৰখনৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। ফাইনাৰৰ ডেপুটি ডাইৰেক্টৰ জেনেৰেল ইন্দ্ৰাণী চৌধুৰীৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা এই আলোচনাচক্ৰখনত অংশগ্ৰহণ কৰে অসম গ্ৰামীণ বিকাশ বেংকৰ অধ্যক্ষ শিৱশংকৰ সিং, ফাইনাৰৰ ফুড প্ৰচেছিং ক্ষেত্ৰখনৰ অধ্যক্ষ এছ ভট্টাচাৰ্য, অন্নপূৰ্ণাৰ পৰিচালন সঞ্চালক সুবীৰ ঘোষ, নেৰামেকৰ ৰাজ্যিক সমন্বয়ৰক্ষী চম্পক ডেকা, ফুড ছেফটি মেনেজমেণ্টৰ লীড অডিটৰ পি কে বাগ্চিকে ধৰি বহু ব্যক্তি আৰু ব্যৱসায়িক প্ৰতিষ্ঠানে। আনহাতে এই আলোচনাচক্ৰখনৰ মাজতে এছ'ক'ম ইনষ্টিটিউট অব্ বেকাৰী টেক্‌ন'ল'জি এণ্ড মেনেজমেণ্ট আৰু ফাইনাৰৰ মাজত এক দ্বিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়।

**Asomiya Pratidin**
**21.11.2013**

## MoU signed

■ **Guwahati:** An MoU was signed between Assocom Institute of Bakery Technology and Management and the Federation of Industry and Commerce of North Eastern Region here on Tuesday.

**The Telegraph**
**21.11.2013**